# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

**প্ৰেছ বাৰ্তা নং ঃ ৩২৭/২০১৭**

**নগালেণ্ডত অনুষ্ঠিত প্ৰথম উত্তৰ পূব ভূতত্ব আৰু খনি মন্ত্ৰী সন্মিলনত অংশগ্ৰহণ কৰিলে মুখ্যমন্ত্ৰীয়ে**

**আধুনিক প্ৰযুক্তিবিদ্যা, উপযুক্ত পৰিকল্পনা আৰু ধাৰাবাহিক প্ৰয়াসৰ জৰিয়তে প্ৰাকৃতিক সম্পদৰ যথোপযুক্ত ব্যৱহাৰত মুখ্যমন্ত্ৰীৰ গুৰুত্ব আৰোপ**

**দিছপুৰ, ৩১ অক্টোবৰঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি কেন্দ্ৰীয় খনি, কয়লা আৰু সংসদীয় পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী প্ৰহ্লাদ যোশীৰ উপস্থিতিত নগালেণ্ডৰ চুমুকডিমা জিলাত অনুষ্ঠিত প্ৰথম উত্তৰ পূব ভূতত্ব আৰু খনি মন্ত্ৰী সন্মিলনত অংশগ্ৰহণ কৰে।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে উত্তৰ পূৰ্বাঞ্চল খনি আৰু খনিজ তথা প্ৰাকৃতিক সম্পদত অতিশয় চহকী। আধুনিক প্ৰযুক্তি, উপযুক্ত পৰিকল্পনা আৰু ধাৰাবাহিক প্ৰয়াসৰ অভাৱৰ বাবে এই অঞ্চলটোৱে এই সম্পদাৰাজিৰ উপযুক্ত ব্যৱহাৰ সম্ভৱ কৰি তুলিবলৈ সক্ষম হ'ব পৰা নাই। এই ক্ষেত্ৰত উড়িশাৰ দৰে ৰাজ্যসমূহে খনিজ সম্পদৰ যথোপযুক্ত ব্যৱহাৰৰ জৰিয়তে উন্নয়নৰ গতি ত্বৰান্বিত কৰি তুলিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে প্ৰাকৃতিকভাৱে সমৃদ্ধ এই অঞ্চলটো সম্পদৰ উপযুক্ত ব্যৱহাৰৰ জৰিয়তে আগুৱাই নিব লাগিব। মুখ্যমন্ত্ৰীয়ে ৰাজ্যৰ খনি আৰু খনিজ সম্পদৰ ক্ষেত্ৰখনৰ উপযুক্ত ব্যৱহাৰৰ দিশত কেন্দ্ৰীয় খনি, কয়লা আৰু সংসদীয় পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী প্ৰহ্লাদ যোশীয়ে আগবঢ়োৱা সহযোগিতাৰো শলাগ লয়।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ গতিশীল আৰু দূৰদৰ্শী নেতৃত্বৰ বাবে উত্তৰ পূৰ্বাঞ্চলে আজি উন্নয়নৰ দিশত অধিক দ্ৰুততাৰে আগুৱাই যোৱাৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে কেন্দ্ৰীয় চৰকাৰৰ সঠিক নীতি আৰু আঁচনিৰ বাবে আজি সমগ্ৰ অঞ্চলটো দেশৰ বিকাশৰ কেন্দ্ৰস্থলীলৈ ৰূপান্তৰ হৈছে। প্ৰধানমন্ত্ৰীয়ে এই অঞ্চলটোক অষ্টলক্ষ্মী, দেশৰ বিকাশৰ নতুন ইঞ্জিন হিচাপে অভিহিত কৰাৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে বিকাশৰ দিশত আজি অঞ্চলটোৰ অভাৱনীয় ৰূপান্তৰ সাধন হৈছে। উত্তৰ পূৰ্বাঞ্চলৰ ৰে'লপথ, আকাশী পথ, স্থল পথ আৰু নদীপথৰ ক্ষেত্ৰটো ব্যাপক পৰিৱৰ্তন সাধনেৰে যাতায়াত আৰু যোগাযোগ খণ্ডলৈ যুগান্তকাৰী পৰিৱৰ্তন আহিছে বুলি মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে কয় যে কহিমাৰ পৰা ডিমাপুৰ হৈ চাৰিলেনযুক্ত পথ কাৰ্বি আংলঙলৈ সংযোগ সাধন হৈ উঠিলে অঞ্চলটোৰ বিকাশে এক নতুন মাত্ৰা লাভ কৰিবলৈ সক্ষম হ'ব।

মুখ্যমন্ত্ৰীয়ে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পুনৰ নবীকৰণ আৰু অপৰম্পৰাগত শক্তি উৎপাদনৰ জৰিয়তে ২০৩৫ চনৰ ভিতৰত দেশত পৰিৱেশ প্ৰদূষণৰ মাত্ৰা যথেষ্ট পৰিমাণে হ্ৰাস কৰিবলৈ লক্ষ্য নিৰ্দ্ধাৰণ কৰি বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। প্ৰধানমন্ত্ৰীৰ বহনক্ষম উন্নয়নৰ নীতিয়ে আমাৰ ভূমিৰ সুৰক্ষাৰ দিশতো ইতিবাচক প্ৰভাৱ পেলাব বুলি তেওঁ কয়। মুখ্যমন্ত্ৰীয়ে কয় যে এই সন্মিলনে অঞ্চলটোৰ সম্পদৰাজিৰ সঠিক উদঘাটন আৰু প্ৰয়োগৰ দিশত নতুন মাত্ৰা সংযোজন কৰিব। এই সন্মিলনৰ প্ৰস্তাৱসমূহ কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কাৰ্যকৰী কৰাৰ দিশত প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিব বুলিও মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে। আনহাতে পৰৱৰ্তী এই সন্মিলন গুৱাহাটীত অনুষ্ঠিত কৰাৰ বাবে লোৱা সিদ্ধান্তকো মুখ্যমন্ত্ৰীয়ে

আদৰণী জনায়।

আজিৰ এই অনুষ্ঠানত নগালেণ্ডৰ মুখ্যমন্ত্ৰী নেইফুও ৰিঅ', অসম চৰকাৰৰ খনি আৰু খনিজাত মন্ত্ৰী নন্দিতা গাৰ্লোচা, নগালেণ্ড চৰকাৰৰ মন্ত্ৰী, নাহৰকটীয়াৰ বিধায়ক তৰংগ গগৈ, কেন্দ্ৰীয় তথা ৰাজ্য চৰকাৰৰ উচ্চপদস্থ বিষয়াসকল উপস্থিত থাকে।

**পুঃডেঃ**
**৩১/১০/২০২২**